# ছৌদি আৰবৰ চমু বিৱৰণ

## A Brief Introduction to the Kingdom of Saudi Arabia

ড° ৰাইজুদ্দিন আলম
*সহকাৰী অধ্যাপক, আৰবী বিভাগ*
গুৱাহাটী বিশ্ববিদ্যালয়

**পটভূমিঃ**

ছৌদি আৰব দক্ষিণ-পশ্চিম এছিয়াৰ আৰব উপদ্বীপৰ বৃহত্তম দেশ। এই সাম্ৰাজ্য আৰব লীগৰ অন্তৰ্গত এটা ইছলামিক আৰব ৰাষ্ট্ৰ। ই ইউৰোপ আফ্ৰিকা আৰু এছিয়াৰ সংগম স্থানত অৱস্থিত। ই কেবাটাও মানৱ সভ্যতাৰ বাসস্থান স্বৰূপ। ইয়াতেই কেবাটাও ধৰ্মৰ আৱিৰ্ভাৱ ঘটিছিল যাৰ যোগেদি মহান আল্লাহ তায়ালাৰ স্বৰ্গীয় বাৰ্ত্তাসমূহ পৃথিৱীলৈ আহি সময়ে সময়ে মানৱ সভ্যতাৰ উন্নতি ঘটাইছিল। ছৌদি আৰব ইছলামৰ পবিত্ৰ স্থান যথা মক্কা মকাৰ্ৰমা আৰু মদিনা মনোৱাৰাৰ কাৰণে সমগ্ৰ বিশ্বত বিখ্যাত। এই পবিত্ৰ স্থান সমূহ পৰিদৰ্শন কৰিবগৈ গোটেই বিশ্বৰ মানুহসকলে আহে যিয়ে এই দেশৰ অৰ্থনীতি উন্নত কৰাত যথেষ্ট অৰিহণা যোগায়। হজ্জ আৰু উমৰাহ সম্পূৰ্ণ কৰাৰ উদ্দেশ্য গোটেই বিশ্বৰ মুছলমানসকলে আহি ইয়াত গোট খায় আৰু সৃষ্টি কৰ্তা আল্লাহ তায়ালাৰ পৰা ক্ষমা-ভিক্ষা বিচাৰে।

ছৌদি আৰবত উত্তৰফালে অৱস্থিত হ'ল জৰ্দান, ইৰাক আৰু কয়েত। ইয়াৰ দক্ষিণ ফালে অৱস্থিত আছে ইয়ামেন। ইয়াৰ পূবত অৱস্থিত হৈ আছে পাৰশ্য উপসাগৰ। লোহিত সাগৰ (Red Sea) আৰু আকাবা উপসাগৰ ছৌদি আৰবৰ পশ্চিম ফালে অৱস্থিত হৈ আছে। ছৌদি আৰবৰ প্ৰতিবেশী ৰাষ্ট্ৰ সমূহ হ'ল– জৰ্দান, ইৰাক, কুয়েত, কাতাৰ, সংযুক্ত আৰব আমিৰাত, ওমান আৰু বাহৰাইন। ২০১২ চনৰ লোক পিয়ল মতে ছৌদি আৰবৰ জনসংখ্যা হৈছে ২৮.২৯ মিলিয়ন। এই ৰাষ্ট্ৰত অৰ্থনীতি মূলতঃ পেট্ৰোলিয়াম আৰু তৈলজাত সামগ্ৰীৰ

ওপৰত নিৰ্ভৰশীল। ৰপ্তানিকৃত আয়ৰ ৯০ শতাংশই আহে পেট্ৰোল আৰু তৈলজাত সামগ্ৰীৰ পৰা। এই দেশে বিশ্বৰ ভিতৰত আটাইতকৈ বেছি পেট্ৰোল যোগান ধৰে।

## ছৌদি আৰবৰ ব্যুৎপত্তি (Etymology of Saudi Arabia)ঃ

১৯৩২ চনৰ আগলৈকে ছৌদি আৰব কিছুমান সৰু সৰু অঞ্চলত বিভক্ত হৈ আছিল। হেজাজ আৰু নাজ্দ দুটা পৃথক ৰাষ্ট্ৰ হিচাবে পৰিগণিত হৈছিল। কিন্তু হেজাজ আৰু নাজ্দ ৰাষ্ট্ৰ দুখনৰ সংযুক্তিকৰণৰ লগে লগে এই ভূখণ্ডক এটা নতুন নামেৰে নামকৰণ কৰা হয়। যাৰ নাম দিয়া হয় আল-মাম্লাকা আল-আৰাবিয়াহ আল-ছুয়ুদিয়া (Kindom of Saudi Arabia)। যাৰ অসমীয়া হ'ল ছৌদি আৰব সাম্ৰাজ্য। এই ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাপক আছিল ৰজা আব্দুল আজিজ বিন আল ছৌদ আৰু তেওঁৰ নামৰ লগত সংগতি ৰাখিয়েই উক্ত নামেৰে নামকৰণ কৰা হৈছে।

ছৌদি শব্দটি আৰবী ছৌদ শব্দৰ পৰা উৎপত্তি হৈছে। যি আল-ছৌদ ৰাজ পৰিয়ালৰ বিশেষণ। আনহাতে আৰব শব্দটি আৰবী শব্দ আৰবৰ পৰাই সৃষ্টি হৈছে কাৰণ যিখন ভূখণ্ডক ছৌদি আৰব বুলি কোৱা হৈছে ই আৰব উপদ্বীপৰ অন্তৰ্ভুক্ত। এতেকে, সংক্ষিপ্ত ৰূপত ক'ব গ'লে কোৱা যাব পাৰে যে আৰব উপদ্বীপৰ যি ভাগত আল-ছৌদ ৰাজ পৰিয়ালে ৰাজত্ব কৰিছিল সেই খিনি ভূখণ্ডকেই ছৌদি আৰব বুলি কোৱা হয়।

## ছৌদি আৰবৰ সংক্ষিপ্ত ইতিহাস (Brief History of Saudi Arabia)ঃ

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে প্ৰায় ১২৫,০০০ বছৰৰ আগৰ পৰাই আৰব উপদ্বীপ তথা ছৌদি আৰবত মানুহৰ বসতি আছিল। মুছলমান সকলোৰ বিশ্বাস মতে পৃথিৱীৰ আদি মানৱ হজৰত আদম (আঃ) শৰণ দ্বীপ বৰ্ত্তমানৰ শ্ৰীলংকাত প্ৰথমে পদাৰ্পন কৰিছিল আৰু ভাৰত উপমহাদেশ হৈ ছৌদি আৰবৰ জেদ্দাত তেওঁৰ সংগী মা হাউৱাক লগ পাইছিল। ২০১১ চনৰ এটা সমীক্ষাত দেখা যায় প্ৰায় ৭৫,০০০ বছৰৰ

পুৰ্বে আধুনিক মানৱ সভ্যতাই প্ৰাচ্যৰ এছিয়া মহাদেশ হৈ আফ্ৰিকালৈ বিস্তাৰ লাভ কৰিছিল। এই তথ্যই ইয়াৰ প্ৰমাণ কৰে যে ৭৫,০০০ বছৰ আগত আৰব দেশত মানৱ সভ্যতাই বিৰাজ কৰিছিল। ইয়াৰ ওপৰিও ২০১৭ চনত উত্তৰ-পশ্চিম ছৌদি আৰবৰ সুৱাইমিচ্ নামৰ এটা পাৰ্বত্য অঞ্চলত ৮,০০০ বছৰ পুৰণা জীৱকুলৰ কিছুমান অৱশেষৰ প্ৰমাণ পোৱা গৈছে। এই জীৱকুলৰ ভিতৰত পোহনীয়া কুকুৰ অন্যতম। খ্ৰীষ্টপুৰ্ব ২২০০ শতিকাৰ কালছোৱাত ছৌদি আৰবৰ দিলমুনৰ কিছুমান কৃতিস্তম্ভ বাহৰাইনলৈ স্থানান্তৰ কৰাৰ কথা ইতিহাসত উল্লেখ আছে। ইতিহাসত উল্লেখ কৰা হৈছে যে তাম্ৰযুগৰ শেষৰ ফালে উত্তৰ-পশ্চিম ছৌদি আৰবত মানৱ জাতীয়ে বসবাস কৰা বুলি পৱিত্ৰ বাইবেলত সুস্পষ্টভাৱে লিপিবদ্ধ হৈ আছে। খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাৰ শেষৰ ফালে আৰবত উত্তৰ-পশ্চিম অঞ্চলৰ এটা ঐতিহাসিক ৰাজত্ব থকাৰ কথা ইতিহাসে বিৱৰে। এই ৰাজত্বক বুৰঞ্জীবিদ সকলে দিদানৰ শ্বেইখ ৰাজত্ব (Sheikhdom of Dedan) বুলি উল্লেখ কৰে। খ্ৰীষ্টপূৰ্ব ষষ্ঠম শতিকাত এই ৰাজত্ব লিহিয়ান সকলৰ সাম্ৰাজ্য হিচাবে পৰিবৰ্ত্তিত হৈছিল। লিহিয়ান সকলৰ প্ৰতিপত্তি ইমানেই বেছি আছিল যে তেওঁলোক পোন প্ৰথমবাৰৰ বাবে সংস্কৃত তথা অৰ্থনীতিৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মাজভাগত নাবাতী সকলৰ হাতত তেওঁলোক নিজৰ সাম্ৰাজ্য হেৰুৱাব লগীয়া হৈছিল। অৱশেষত ৰোমান সকলে নাবাতী সকলৰ সাম্ৰাজ্য কাঢ়ি লৈছিল।

ইছলাম ধৰ্মৰ আৱিৰ্ভাৱ হোৱাৰ আগলৈকে আৰব দেশত দুই ধৰণৰ মানুহে বসতি কৰি আছিল। অৰ্থাৎ মক্কা, মদিনা, তাইফ আদি চহৰত বাস কৰা লোকসকল আৰু মৰুভূমিত বসবাস কৰা যাযাবৰ বা বেদুইন সকল। চহৰত বাস কৰা লোক সকলে স্থায়ী ভাৱে বসবাস কৰিছিল। আনহাতে যাযাবৰ সকলে সদায় পানী আৰু খাদ্য সামগ্ৰী বিচাৰি সঘনাই স্থান পৰিবৰ্ত্তন কৰিছিল। তেওঁলোকৰ সামাজিক, ৰাজনৈতিক